| **Headlines:** How to benefit and invest in Sovereign Gold Bond | |
|---|---|
| **Source:** Asomiya Pratidin | **Date:** 8 September 2016 |

অসমীয়া প্ৰতিদিন

# ছ’ভৰেইন গ’ল্ড বণ্ডত বিনিয়োগ কৰি লাভান্বিত হ’ব কিদৰে



**হুজান মিস্ত্ৰী, ষ্ট্ৰেটেজিক বিজনেছ হেড, এন এছ ই**

**সু**দীৰ্ঘ সময় ধৰি সকলোৰে বাবে বিনিয়োগৰ বাবে এক আকৰ্ষণীয় মাধ্যম হিচাপে পৰিগণিত হৈ আহিছে সোণ। বহুতো লোকে এই ধাতুবিধক মূল্যবৃদ্ধি আৰু টকাৰ অৱমূল্যায়নৰ সময়ত প্ৰাকৃতিক ৰক্ষা কৱচ হিচাপে গণ্য কৰে। ভাৰতীয় পৰিয়ালসমূহৰ মাজত সোণৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত চৰকাৰে ২০১৫ চনৰ বাজেটত ছ’ভৰেইন গ’ল্ড বণ্ড (এছ জি বি) আঁচনি প্ৰস্তাৱ ৰাখিছিল। ইয়াৰ কেইটামান সংশোধনীৰ পিচত এই আঁচনিৰ শেহতীয়া খেপে (পঞ্চমটো খেপ) সকলোকে আকৰ্ষিত কৰিবলৈ সক্ষম হৈছে। আহকচোন এতিয়া আমি সোণৰ এই বণ্ড পেপাৰৰ সন্দৰ্ভত কেতবোৰ দিশৰ ওপৰত আলোকপাত কৰি চাওঁ। সহজভাৱে ক’বলৈ হ’লে এছ জি বি আঁচনি হৈছে সোণৰ ৰূপত চৰকাৰৰ ছিকিউৰিটি। এগৰাকী বিনিয়োগকাৰীয়ে এই বণ্ড কাগজৰ ছাৰ্টিফিকেট হিচাপত অথবা ইলেক্ট্ৰ’নিক ডিমেট একাউণ্ট হিচাপত ৰাখিব পাৰে। কিন্তু এই আঁচনিত বাস্তৱিক সোণৰ কোনোধৰণৰ লেনদেন নহয়। এতিয়া এই আঁচনিত পঞ্চমটো খেপ ছাবক্ৰিপচনৰ বাবে মুকলি কৰা হৈছে আৰু এয়া ৯ ছেপ্টেম্বৰ, ২০১৬লৈ মুকলি থাকিব। ভাৰত চৰকাৰৰ হৈ ভাৰতীয় ৰিজাৰ্ভ বেংকে বণ্ডসমূহ জাৰি কৰে। বণ্ডৰ সময়সীমা আঠ বছৰ যদিও সুদ প্ৰদানৰ তাৰিখ হিচাপত পঞ্চম বৰ্ষৰ পৰাই এই আঁচনিৰ পৰা ওলাই অহাৰ সুবিধা আছে। এই আঁচনিৰ বাবে ইছ্যু মূল্যৰ ভিত্তিত চৰকাৰে নিৰ্ধাৰণ কৰা সুদৰ হাৰ হৈছে ২.৭৫ শতাংশ আৰু এয়া বছৰত দুবাৰকৈ আদায় দিয়া হয়। ইছ্যু মূল্য হৈছে প্ৰতিগ্ৰাম স্বৰ্ণৰ বিপৰীতে ৩,১৫০ টকা।এগৰাকী ব্যক্তিৰ বাবে এনে আঁচনিত অংশগ্ৰহণ কৰাটো যথেষ্ট সহজ। এন এছ ইৰ দালালসকলে তলত উল্লেখ কৰা পদ্ধতিত গ্ৰাহকৰ ছাবক্ৰিপচন গ্ৰহণ কৰে ঃ ১। বৰ্তমানৰ অনলাইন গ্ৰাহক— গ্ৰাহকসকলক অনলাইনৰ জৰিয়তে ছাবক্ৰিপচনৰ সুবিধা দিয়া হয়। ২। বৰ্তমানৰ অফলাইন গ্ৰাহক— গ্ৰাহকসকলে সোণ ই-মেইল, ব্যক্তিগতভাৱে অথবা দালালে নিৰ্ধাৰণ কৰি দিয়া যিকোনো পদ্ধতিত ছাবক্ৰিপচনৰ বাবে যোগাযোগ কৰিব পাৰে। ৩। নতুন গ্ৰাহক (অকল এছ জি বি ছাবক্ৰিপচনৰ বাবে)— গ্ৰাহকসকলে ব্যক্তিগতভাৱে অথবা দালালে নিৰ্ধাৰণ কৰি দিয়া অনুসৰি ছাবক্ৰিপচনৰ বাবে অনুৰোধ জনাব পাৰে। গ্ৰাহকসকলে এন এছ ইৰ সৈতে জড়িত পঞ্জীয়নভুক্ত মিউচুৱেল ফাণ্ড দালালৰ জৰিয়তেও ছাবক্ৰিপচনৰ সুবিধা গ্ৰহণ কৰিব পাৰে। এগৰাকী ব্যক্তিয়ে এটা বিত্তীয় বৰ্ষত ৫০০ গ্ৰামপৰ্যন্ত সোণ কিনিব পাৰে। যুটীয়া ক্ষেত্ৰত ৫০০ গ্ৰামলৈকে বিনিয়োগ কৰিব পৰাৰ নিয়ম প্ৰথমগৰাকী আবেদনকাৰীৰ ক্ষেত্ৰতে প্ৰযোজ্য হ’ব।যিহেতু যথেষ্টসংখ্যক গ্ৰাহকে বিনিয়োগৰ জৰিয়তে লাভ আহৰণৰ চেষ্টা কৰে সেয়ে নগদীকৰণো মূল্যৱান বিষয়। নগদীকৰণৰ মূল্য নিৰ্ধাৰণ কৰা হয় আই বি জে এৰ দ্বাৰা প্ৰকাশিত পূৰ্বৰ সপ্তাহৰ (সোমবাৰৰ পৰা শুকুৰবাৰ) ৯৯৯ স্বচ্ছতাৰ সোণৰ সমাপ্তিৰ সময়ৰ গড়মূল্যৰ বিপৰীতে ভাৰতীয় টকাৰ হিচাপত। ৯ ছেপ্টেম্বৰত ছাবক্ৰিপচন শেষ হোৱাৰ পিচত ভাৰতীয় ৰিজাৰ্ভ বেংকে ২০১৬ বৰ্ষৰ ২৩ ছেপ্টেম্বৰত বণ্ড মুকলি কৰাৰ সম্ভাৱনা আছে। বণ্ড মুকলিৰ সমান্তৰালভাৱে ডিমেট ক্ৰেডিটৰো সুবিধা আগবঢ়োৱা হ’ব। মুকলি কৰাৰ পিচত গ’ল্ড বণ্ডসমূহ যিহেতু শ্বেয়াৰ বজাৰত সূচীবদ্ধ হয় সেয়ে এই বণ্ড পণ্য অৱস্থালৈ নিব বিচৰা বিনিয়োগকাৰীসকলে শ্বেয়াৰ বজাৰৰ পঞ্জীয়নভুক্ত সদস্যৰ জৰিয়তে তেওঁলোকৰ বণ্ড বিক্ৰী কৰিব পাৰে। এনেক্ষেত্ৰত বিনিয়োগকাৰীগৰাকীয়ে এছ জি বি বজাৰৰ পৰা ওলাই আহিব পাৰিব। কিন্তু তৎসত্ত্বেও তেওঁ বিক্ৰী কৰা বণ্ড সক্ৰিয় হৈ থাকিব, এই বণ্ডৰ স্বত্বাধিকাৰী হ’ব নতুন গ্ৰাহকজন আৰু সেয়ে সুতকে ধৰি তেওঁ ইয়াৰ সকলো সুফল লাভ কৰিব। অন্য বিকল্প হ’ল কমেও ৫ বছৰ অপেক্ষা কৰি ভাৰত চৰকাৰৰ জৰিয়তে নগদীকৰণৰ ব্যৱস্থা কৰা। অন্যথা ৮ বছৰৰ পিচত নিজেই বণ্ডৰ পৰিসমাপ্তি ঘটিব। বণ্ডৰ সুতৰ ক্ষেত্ৰত ই ডি এছ প্ৰযোজ্য নহয়। ম্যাদপ্ৰাপ্তিৰ পূৰ্বেই হস্তান্তৰিত হ’লেও সূচীবদ্ধতাৰ লাভালাভ অৰ্জন কৰিব পাৰি। তিনি বছৰৰ পিচত ‘লং টাৰ্ম কেপিটেল গেইন টেক্স’ প্ৰযোজ্য হয়। নগদীকৰণ বা মুকলোৱাৰ ‘কেপিটেল গেইন টেক্স’ আৰোপ কৰা নহয়।

এতিয়ালৈকে এনে ছ’ভৰেইন আঁচনিৰ অধীনত কিমান সোণ সংগ্ৰহ কৰা হৈছে—

খেপ-১— ২৪৬ কোটি টকা মূল্যৰ ৯১৫.৯৫ কেজি সোণ
খেপ-২— ৭৯৮ কোটি টকা মূল্যৰ ৩০৭১ কেজি সোণ
খেপ-৩— ৩২৯ কোটি টকা মূল্যৰ ১১২৮ কেজি সোণ
খেপ-৪— ৯১৯ কোটি টকা মূল্যৰ ২৯৫০ কেজি সোণ